# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
**------------------**

ooooo

১। জুবিন গাৰ্গৰ মৃত্যু ঘটনাৰ সন্দৰ্ভত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মালৈ লুকআউট নটিচ জাৰি। নিশিতা গোস্বামী, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক চি আই ডিৰ জেৰা।

২। জুবিন গাৰ্গৰ বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি বি এছ এন এলৰ স্বদেশী ফ'ৰ-জি নেটৱৰ্ক মুকলি। গুৱাহাটীত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়া আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ।

৪। গুৱাহাটীৰ পাণবজাৰ উৰণ সেতু আৰু পানীখাইটি উৰণ সেতু আজি আনুষ্ঠানিকভাৱে উদ্বোধন। **আৰু**

৫। শাৰদীয় দুৰ্গা পূজাৰ কাইলৈ ষষ্ঠী। পূজাৰ বেদীত দেৱীৰ মৃণ্ময় মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ।

ooooo

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লুকআউট ন'টিছ জাৰি কৰিছে। দুয়োগৰাকী অভিযুক্তই কোনো কাৰণতে যাতে ভাৰত এৰি যাব নোৱাৰে তাৰ বাবে ইণ্টাৰপলৰ জৰিয়তে অসম আৰক্ষীয়ে এই জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত যথেষ্ট আগবঢ়া বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে ছিংগাপুৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতৰ জৰিয়তে ৮ জন প্ৰবাসী অসমীয়ালৈও জাননী জাৰি কৰিছে। অহা ৬ অক্টোবৰৰ ভিতৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আটাইকেইজনকে চি আই ডিৰ ওচৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়-

**বাইট (চি এম)**

কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি জুবিন গাৰ্গৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। তেওঁ জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গৰ সৈতেও মত বিনিময় কৰে। চি আৰ পি এফৰ সঞ্চালক প্ৰধান জি পি সিঙেও শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনায়।

ইপিনে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আজি উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হয়। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সময়ত ছিংগাপুৰতে থকা এই তিনিওগৰাকীকে এছ আই টিয়ে সোধা-পোছাৰ বাবে হাজিৰ হ'বলৈ চমন জাৰি কৰিছিল। কালিও শ্যামকানু মহন্তৰ মাডাৰ টেৰেছা ৰোডৰ কাৰ্বি পথত থকা বাসগৃহত তদন্তকাৰী গোটে অভিযান চলায়। বিশেষ তদন্তকাৰী গোটৰ নেতৃত্বত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ ৩০ জনীয়া এটা দলে বাসগৃহৰ প্ৰতিটো কোঠাত অভিযান চলাই বিভিন্ন তথ্যৰ অনুসন্ধান কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উড়িশাৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে সমগ্ৰ দেশতে ৩৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে স্বদেশী প্ৰযুক্তিৰে  নিৰ্মিত ৯৭ হাজাৰ ৫০০টা ফ'ৰ জি ম'বাইল টাৱাৰ উদ্বোধন কৰে। এই উপলক্ষে আজি গুৱাহাটীত আয়োজিত কাৰ্যসূচীৰ জৰিয়তে কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। স্বদেশী ফ'ৰ জি নেটৱৰ্কৰ উদ্বোধনী কাৰ্যসূচীৰ প্ৰাক্ মুহূৰ্তত কেন্দ্ৰীয় মন্ত্ৰী সিন্ধিয়া আৰু টাটা ছন্‌ছৰ অধ্যক্ষ এম চন্দ্ৰশেখৰণৰ সৈতে মুখ্যমন্ত্ৰীয়ে অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে দূৰসংযোগৰ সৈতে জড়িত সকলো প্ৰযুক্তি স্বদেশী হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ভাৰতৰ পাঁচটা স্থানত বি এছ্ এন এলৰ ডাটা চেণ্টাৰ স্থাপন হ'ব আৰু ইয়াৰ ভিতৰত অন্যতম এটা গুৱাহাটীত স্থাপন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে বি এছ্ এন এল প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তীৰ সৈতে সংগতি ৰাখি লোৱা স্বদেশীকৰণ কাৰ্যসূচীৰ অধীনত ম'বাইল নেটৱৰ্কৰ সকলো ব্যৱস্থাৰ লগতে অন্যান্য সকলো সঁজুলি ভাৰতত আৰু ভাৰতীয়ৰ দ্বাৰা নিৰ্মাণ হোৱাটো সুনিশ্চিত কৰা হৈছে। তেওঁ কয়, যে বিশ্বৰ কেৱল চাৰিখন দেশতহে এনেধৰণৰ স্বদেশী ফ'ৰ জি ম'বাইল নেটৱৰ্কৰ প্ৰস্তুত কৰা হয়। প্ৰধানমন্ত্ৰীয়ে আজি এই নেটৱৰ্ক উদ্বোধন কৰাৰ লগে লগে ভাৰত নিজা নেটৱৰ্ক, নিজা প্ৰযুক্তি আৰু স্বদেশী সামগ্ৰী ব্যৱহাৰৰ দ্বাৰা স্বদেশী নেটৱৰ্ক থকা বিশ্বৰ পঞ্চমখন ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অহা কেইদিনমানৰ ভিতৰত বি এছ্ এন এলে এই ফ'ৰ জি নেটৱৰ্কক ফাইভ জি লৈ ৰূপান্তৰ কৰাৰ লগতে ২০৩০ চনৰ ভিতৰত গ্ৰাহকক ছিক্স জি নেটৱৰ্কৰ সুবিধাও প্ৰদান কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে ডাটা চেণ্টাৰ, ছেমি কণ্ডাক্টৰকে ধৰি বিভিন্ন দিশত প্ৰধানমন্ত্ৰীয়ে অসমক কেন্দ্ৰ বিন্দু হিচাপে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। অনুষ্ঠানত ৰাজ্যৰ তথ্য প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্ত, ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

বিটিচি নিৰ্বাচনত বি পি এফ দলে একক সংখ্যাগৰিষ্ঠতা লাভেৰে পুনৰ ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰিছে। বিটিআৰৰ ৫ খন জিলাৰ ৪০টা পৰিষদীয় সমষ্টিৰ ভোটগণনাৰ অন্তত  বি পি এফ দলে ২৮ খন আসন লাভ কৰাৰ বিপৰীতে শাসনাধিস্থিত ইউ পি পি এল দলে ৭ খন আৰু বিজেপিয়ে ৫ খন আসন লাভ কৰে। জিলা প্ৰশাসনৰ কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ মাজেৰে কালিৰে পৰা অনুষ্ঠিত ভোটগণনা নিয়াৰিকৈ আজি পুৰা সমাপ্ত হয়।

উল্লেখযোগ্য যে বিটিচি প্ৰধান প্ৰমোদ বড়োৱে এই নিৰ্বাচনত গয়বাৰী সমষ্টিত জয়লাভ কৰে। বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰিয়ে দেবৰগাঁও সমষ্টিত জয়লাভ কৰে।

তামুলপুৰ জিলাৰ ৫টা পৰিষদীয় সমষ্টিত বিজেপিয়ে দুখন, বিপিএফে দুখন আৰু ইউ পি পি এলে এখন আসন লাভ কৰে।

বাক্সা জিলাৰ ৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩টা সমষ্টিত বি পি এফ, দুটা সমষ্টিত ইউ পি পি এল আৰু এটা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জয়ী হয়।

ওদালগুৰি জিলাত বি পি এফে সাতখন, বিজেপিয়ে দুখন আৰু ইউ পি পি এল দলে এখন আসন লাভ কৰে।

চিৰাং জিলাৰ মুঠ ৭টা পৰিষদীয় সমষ্টিৰ ভিতৰত বিপিএফে ৫ খন আৰু ইউ পি পি এলে দুখন আসন লাভ কৰে। জিলাখনৰ চিৰাং, কাজলগাঁও, নিচিমা, সুভাইঝাৰ আৰু থুৰিবাৰী পৰিষদীয় সমষ্টিত বি পি এফে জয়লাভ কৰিছে। আনহাতে চিৰাং দুৱাৰ আৰু মানস ছেৰফাং সমষ্টিত ইউ পি পি এল দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে।

নিৰ্বাচনৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছত বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত কোকৰাঝাৰৰ বড়োলেণ্ড গেষ্ট হাউছত আজি দলটোৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নৱনিৰ্বাচিত এম চি এল সকলৰ লগতে দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। বৈঠকত মূলতঃ বিটিআৰত চৰকাৰ গঠন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী জয়ৰ বাবে বিপিএফক শুভেচ্ছা জনোৱাৰ লগতে এন ডি এৰ সহযোগী দল হিচাপে বিপিএফৰ সৈতে চৰকাৰে একেলগে কাম কৰিব যাব বুলিও তেওঁ কয়। বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি নিচেই পুৱা মুখ্যমন্ত্ৰীক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে বুলিও ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

ইপিনে বিটিচি প্ৰধান প্ৰমোদ বড়োৱে আজি এখন সংবাদমেল আয়োজন কৰি পৰিষদীয় নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে বিটিআৰবাসীক ধন্যবাদ জনায়। বিপিএফ দলক নিৰ্বাচনী জয়ৰ বাবে অভিনন্দন জনাই বিটিচি প্ৰধানগৰাকীয়ে অনাগত দিনত বিটিআৰ চুক্তিৰ ৰৈ যোৱা দফাসমূহ সম্পূৰ্ণ কৰিবলৈ দলটোৰ মূৰব্বীক আহ্বান জনায়। বড়োভূমিৰ স্বাৰ্থত ইউ পি পি এল দলে বিপিএফক সমৰ্থন জনাব বুলিও তেওঁ কয়।

**বাইট (প্ৰমোদ বড়ো)**

০০০০০

ৰাজ্যৰ যাতায়াত ব্যৱস্থাক নতুন মাত্ৰা দি আজি গুৱাহাটীত দুখন উৰণ সেতু উদ্বোধন কৰা হয়। ৪৭ কোটি টকা ব্যয় সাপেক্ষে আজি পাণবজাৰৰ ৬০ বছৰ পুৰণি উৰণ সেতুৰ ঠাইত ২৯০ মিটাৰ দৈৰ্ঘ্যৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰা হয়। এই উৰণ সেতুৱে পাণবজাৰ অঞ্চলত যানজঁটৰ সমস্যা হ্ৰাস কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উৰণ সেতু উদ্বোধন কৰে। অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু দিছপুৰৰ বিধায়ক অতুল বৰা উপস্থিত থাকে।

গুৱাহাটীৰ পানীখাইতিৰ নাৰেংগী-ভকতগাঁও সংযোগী পথত ৫৩৭ মিটাৰ দৈৰ্ঘ্যৰ দুই লেনযুক্ত সেতুখন কিছু সময়ৰ পাছতে উদ্বোধন কৰা হ'ব। ৬৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখন জয়ন্ত হাজৰিকা উৰণ সেতু হিচাপে নামকৰণ কৰা হৈছে। এই উৰণ সেতুৱে গুৱাহাটীৰ সৈতে চন্দ্ৰপুৰ আৰু মৰিগাঁৱকে ধৰি কাষৰীয়া অঞ্চলৰ যাতায়াত সুচল কৰাৰ লগতে পানীখাইতিৰ ৰে'লৱে গে'টত দীঘলীয়া অপেক্ষা কৰা জনসাধাৰণক সকাহ দিব। ইয়াৰ ফলত পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য আৰু মায়ঙৰ দৰে পৰ্যটন স্থলীলৈ যোগাযোগ সুচল হ'ব।

০০০০০

শাৰদীয় দুৰ্গা পূজাৰ কাইলৈ ষষ্ঠী। বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে কাইলৈ এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অৱশ্যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যখনত শাৰদীয় পূৰ্বৰ সেই উছাহ নাই। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্য শোকাছন্ন হৈ থকাৰ বাবে বজাৰতো ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হোৱা নাই। জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গতিনাশিনী দুৰ্গাৰ আশীষ বিচাৰি আৰাধনা কৰিবলৈ সাজু হৈছে। ইতিহাসপ্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে দিয়া বাৰ্তাত দেৱীৰ আশীৰ্বাদত জনসাধাৰণৰ শক্তি, সামৰ্থ আৰু সাহস বৃদ্ধিৰ বাবে সেৱা জনায়।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে পাঁচ শতাধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত

পূজা উপলক্ষে পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে। কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফু আৰৰ্ত ভৱনত বিভিন্ন সংগঠনৰ সৈতে জিলা প্ৰশাসনৰ প্ৰতিনিধিয়ে দুৰ্গা পূজা নিয়াৰিকৈ সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰে। ৰাইজৰ যাতায়াতৰ সুচল হোৱাকৈ ঘাইপথ সমূহেৰে প্ৰৱেশ বন্ধ কৰা হ'ব বুলি আৰক্ষীয়ে বৈঠকত জানিবলৈ দিয়ে। জিলাখনত আজি দুৰ্গা পূজা সমিতিসমূহক চৰকাৰৰ আৰ্থিক অনুদানো বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাতো আজি পূজা সমিতিসমূহক চৰকাৰে আগবঢ়োৱা ধনৰাশি চাবুৱাৰ বিধায়ক পোণাকণ বৰুৱাই বিতৰণ কৰে। যোৰহাট জিলাৰ টীয়ক সমজিলাৰ অন্তৰ্গত দুৰ্গা পূজা সমিতিসমূহক ৰাজ্য চৰকাৰে আগবঢ়োৱা অনুদানৰ চেকসমূহ আজি বিতৰণ কৰা হয়। শ্ৰীভূমি জিলাতো আজি চৰকাৰে দিয়া অনুদান পূজা সমিতিসমূহক প্ৰদান কৰা হয়।

হোজাই জিলাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতো জনসাধাৰণে শাৰদীয় পূজা পৰম্পৰাগতভাৱে পালন কৰিবলৈ যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মৃৎশিল্পীসকলে দেৱী প্ৰতিমাক অন্তিম পৰশ দি পূজাৰ বাবে সাজু কৰি তুলিছে। আজি সন্ধিয়াই প্ৰতিমাসমূহ বিভিন্ন স্থানলৈ লৈ যোৱা হ'ব বুলি শিল্পীসকলে প্ৰকাশ কৰিছে।

ooooo

ৰাজ্যত খালী হৈ থকা ভালেসংখ্যক শিক্ষক, স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদকে ধৰি বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অহা অক্টোবৰ মাহৰ ভিতৰত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি ৯ অক্টোবৰৰ ভিতৰত চৰকাৰে এই পদসমূহত নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত লৈছিল যদিও ৰাজ্যৰ শেহতীয়া পৰিস্থিতি আৰু উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ বাবে নিযুক্তি প্ৰক্ৰিয়া কিছু পিছুৱাই দিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ ফলাফল ১০ অক্টোবৰত আৰু চতুৰ্থ বৰ্গৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১২ অক্টোবৰৰ পূৰ্বে ঘোষণা কৰাৰ লগতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ৰ পৰা ২০ অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। অগ্নিনিৰ্বাপক সংস্থাৰ বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অক্টোবৰ মাহৰ ভিতৰতে দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। আনহাতে অহা ৭ অক্টোবৰত ৰাজ্যৰ ৩০ লাখ পৰিয়ালৰ বাবে অৰুণোদয়ৰ তৃতীয় সংস্কৰণ আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়। ৰাজ্যৰ চাৰে ৩ লাখ ছাত্ৰীক নিযুত মইনা আঁচনিৰ প্ৰথম কিস্তিৰ ধন ১০ৰ পৰা ১৫ অক্টোবৰত দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ঘোষণা কৰিছে।

ooooo

কাছাৰ জিলাৰ অতিৰিক্ত ছেচন ন্যায়াধীশৰ আদালতে আজি জিলাখনৰ এজন যুৱকক নাবালিকা ধৰ্ষণৰ অপৰাধত ২৫ বছৰৰ কাৰাদণ্ড বিহে। উদাৰবন্দৰ ৰাজদীপ দাস নামৰ এই অপৰাধীজনক ৫০ হাজাৰ টকাৰ জৰিমণাও বিহা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে যোৱা বছৰৰ ১১ অক্টোবৰত এই লোকজনে ১৬ বছৰীয়া এগৰাকী নাবালিকাক ধৰ্ষণ কৰিছিল। অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ একাধিক ধাৰাৰ লগতে পক্‌ছ' আইনৰ অধীনতো গোচৰ ৰুজু কৰা হৈছে। এই গোচৰৰ শুনানি গ্ৰহণ কৰি আজি জিলাখনৰ অতিৰিক্ত ছেচন ন্যায়াধীশ নাৰায়ণ কুৰীৰ আদালতে লোকজনক শাস্তিৰ ৰায় দিয়ে।

ooooo

এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ-ফ'ৰ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক নাটকীয়ভাৱে ছুপাৰ অভাৰত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাখনৰ ছখন খেলতে অপ্ৰতিদ্বন্দ্বী হৈ ৰয়। ভাৰতে ইতিমধ্যে এছিয়া কাপৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে শ্ৰীলংকাই ছুপাৰ-ফ'ৰৰ দুয়োখন খেলতে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত জি এছ্ টিৰ দৰ হ্ৰাসৰ ফলত গ্ৰাহকসকল কেনেধৰণে উপকৃত হ'ব সেই বিষয়ে এটা ক্ষেত্ৰভিত্তিক বিশ্লেষণ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ঔষধ আৰু ঔষধজাতীয় সামগ্ৰী, নিত্য ব্যৱহাৰ্য সামগ্ৰী, দুচকীয়া বাহন আৰু গাড়ীৰ ক্ষেত্ৰত মূল্যৰ পৰিৱৰ্তন সম্পৰ্কত সংশ্লিষ্ট বিক্ৰেতা আৰু সংশ্লিষ্ট বিক্ৰেতা সংস্থাসমূহৰ বক্তব্য শুনিবলৈ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

সমাপ্ত